# 2023

# ASSAMESE

Paper : ASMSE3012

**( Folklore and Tourism of Assam )**

*Full Marks* : 50

*Pass Marks* : 20

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা (যি কোনো পাঁচটা) : ১×৫=৫

(ক) ২৭ চেপ্তেম্বৰ দিনটো কি দিৱস হিচাপে পালন কৰা হয়?

*(i)* ধপাত বিৰোধী দিৱস

*(ii)* বিশ্ব পৰ্যটন দিৱস

*(iii)* গ্ৰাহক সুৰক্ষা দিৱস

*(iv)* বিশ্ব পৰিৱেশ দিৱস

(খ) অসমৰ পৰ্যটন উদ্যোগৰ বিকাশৰ বাবে অসম চৰকাৰৰ অধীনস্থ এটি সংস্থাৰ নাম হ'ল

*(i)* পৰ্যটন বিভাগ, অসম চৰকাৰ

*(ii)* অসম পৰ্যটন উন্নয়ন নিগম

*(iii)* কাজিৰঙা উন্নয়ন সমিতি

*(iv)* মানাহ উন্নয়ন নিগম

(গ) বিহুগীত তলৰ কোনটো শ্ৰেণীৰ অন্তৰ্গত?

*(i)* শাস্ত্ৰীয় সংগীত

*(ii)* লোকগীত

*(iii)* মালিতা

*(iv)* বৰগীত

(ঘ) তলৰ কোনটো ঐতিহাসিক পৰ্যটনৰ ভিতৰত পৰে?

*(i)* কামাখ্যা মন্দিৰ

*(ii)* মাজুলী

*(iii)* ৰংঘৰ-কাৰেংঘৰ

*(iv)* আইনদী





(ঙ) 'খাম' তলৰ কোনটো জনগোষ্ঠীৰ বাদ্যযন্ত্ৰ?

*(i)* ৰাভা

*(ii)* গাৰো

*(iii)* মিছিং

*(iv)* বড়ো

(চ) লোকপৰিৱেশ্য কলাৰ এটি উপাদান হ'ল

*(i)* লোককলা

*(ii)* সাধুকথা

*(iii)* লোকনৃত্য

*(iv)* লোক ঔষধ

(ছ) 'জোনবিল মেলা' কেনেধৰণৰ পৰ্যটনৰ ভিতৰুৱা?

*(i)* স্বাস্থ্য পৰ্যটন

*(ii)* ঐতিহাসিক পৰ্যটন

*(iii)* নদী পৰ্যটন

*(iv)* সাংস্কৃতিক পৰ্যটন

(জ) ৰাইমনা ৰাষ্ট্ৰীয় উদ্যান কোনখন জিলাত অৱস্থিত?

*(i)* চিৰাং জিলা

*(ii)* কোকৰাঝাৰ জিলা

*(iii)* বঙাইগাঁও জিলা

*(iv)* বাক্সা জিলা

(ঝ) 'অসমীয়া লোকসংস্কৃতিৰ আভাস' গ্ৰন্থখনৰ লিখক হ'ল

*(i)* নবীন চন্দ্ৰ শৰ্মা

*(ii)* লীলা গগৈ

*(iii)* বিৰিঞ্চিকুমাৰ বৰুৱা

*(iv)* বাণীকান্ত কাকতি

(ঞ) ৰাভাসকলৰ 'বায়খো উৎসৱ' তলৰ কোনটোৰ লগত জড়িত?

*(i)* বিবাহৰ লগত

*(ii)* কৃষিকৰ্মৰ লগত

*(iii)* বৰষুণৰ লগত

*(iv)* মৃত্যুৰ লগত





২। চমুকৈ উত্তৰ লিখা (যি কোনো পাঁচটা) : ২×৫=১০

(ক) বিহুগীতত ব্যৱহৃত দুটা বাদ্যযন্ত্ৰৰ নাম লিখা।

(খ) অসমৰ নদী পৰ্যটনত থকা দুটা সুবিধা উল্লেখ কৰা।

(গ) অসমৰ দুটা বুৰঞ্জী-প্ৰসিদ্ধ স্থাপত্যৰ নাম লিখা।

(ঘ) দুবিধ গোৱালপৰীয়া লোকগীতৰ নাম লিখা।

(ঙ) বড়ো স্বায়ত্বশাসিত অঞ্চললৈ পৰ্যটকক আকৰ্ষণ কৰিবলৈ দুটা পৰামৰ্শ আগবঢ়োৱা।

(চ) লোকসংস্কৃতিৰ লগত পৰ্যটনৰ দুটা সম্পৰ্ক উল্লেখ কৰা।

(ছ) অসমৰ বাহিৰৰ পৰ্যটকক আকৰ্ষণ কৰিব পৰা অসমৰ দুবিধ লোকনৃত্যৰ নাম লিখা।

৩। চমু টোকা লিখা (যি কোনো পাঁচটা) : ৫×৫=২৫

(ক) মানস অভয়াৰণ্য

(খ) খেৰাই পূজা

(গ) মাজুলী

(ঘ) মহামায়া ধাম, বগৰীবাৰী

(ঙ) অসমৰ মুগা শিল্প

(চ) পুৰণি অসমৰ খেল-ধেমালি

(ছ) অসমীয়া খাদ্যসম্ভাৰ

(জ) পৰ্যটন আৰু লোকশিল্প

(ঝ) বড়ো জনগোষ্ঠীৰ লোকনৃত্য

৪। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০

(ক) অসমীয়া লোকগীতসমূহক কেইভাগত ভগাব পাৰি আৰু কি কি? যি কোনো এটা ভাগৰ বিষয়ে বহলাই আলোচনা কৰা। ১+১+৮=১০

(খ) সাংস্কৃতিক পৰ্যটন কাক বোলে? অসমত সাংস্কৃতিক পৰ্যটনৰ সম্ভাৱনীয়তা আৰু অৰ্থনৈতিক বিকাশত ইয়াৰ অৰিহণা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০





(গ) ধৰ্মীয় পৰ্যটন কাক বোলে? অসমৰ পৰ্যটন উদ্যোগলৈ ধৰ্মীয় পৰ্যটনৰ অৰিহণা সম্পৰ্কে আলোচনা কৰা। ১০

★ ★ ★